**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-JUNE-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি বিকশিত অসম দৰ্শনৰ অধীনত ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰীসোণোৱালৰ সৈতে হোৱা প্ৰতিটো সাক্ষাৎকালত অসমৰ ভৱিষ্যৎ তথা ৰাজ্যৰ প্ৰগতিৰ পৰ্যালোচনাৰ সুযোগ লাভ কৰা যায়। তেওঁলোকে বিগত ১০ বছৰত অসমৰ উন্নয়নৰ পৰ্যালোচনা কৰাৰ লগতে অনাগত সময়ত অৰ্থনৈতিক বিকাশ, আন্তগাঁথনি তথা সৰ্বাংগীণ উন্নয়ন অধিক শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই যোৱা নিশা কেন্দ্ৰীয় শক্তিমন্ত্ৰী মনোহৰলাল খট্টৰক সাক্ষাৎ কৰি অসমৰ শক্তি আত্মনিৰ্ভৰশীলতাৰ লক্ষ্য পূৰণৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে নতুন দিল্লীত কৰ্মৰত অসম কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াসকলৰ সৈতেও মত বিনিময় কৰে। তেওঁ কয়, যে এই বিষয়াসকলৰ অভিজ্ঞতা, দক্ষতা আৰু বিভিন্ন গুৰুত্বপূৰ্ণ দায়িত্বত কাম কৰাৰ জৰিয়তে আহৰণ কৰা জ্ঞান ৰাজ্যৰ উন্নয়নৰ বাবে অমূল্য সম্পদ। ড০ শৰ্মাই বিষয়াসকলক বিকশিত অসম গঢ়াৰ লক্ষ্যৰ সৈতে সদায় সংযুক্ত হৈ থাকিবলৈ আৰু নিজ নিজ ক্ষেত্ৰৰ অভিজ্ঞতা আৰু নিপুণতাক ৰাজ্যৰ জনসাধাৰণৰ সামূহিক কল্যাণৰ বাবে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

০০০০০০

ৰাজ্যজুৰি আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষজনাৰ আবিৰ্ভাৱ তিথি উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জনোৱাৰ লগতে গুৰুজনাকো শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে জ্ঞান, ভক্তি আৰু মানৱতাৰ অমৃত বাণীৰে যুগে যুগে পথ প্ৰদৰ্শন কৰি থকা মহাপুৰুষজনা আমাৰ জাতীয় জীৱনৰ প্ৰেৰণাৰ অমল উৎস।

গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহত নৈমিত্তিক প্ৰসংগৰ লগতে ভাগৱত ভ্ৰমণ, ধৰ্মালোচনী সভা আদিৰ আয়োজন কৰা হৈছে।

০০০০০০

টিংখাং সমষ্টিৰ বিধায়ক বিমল বৰাই কালি ৰাজগড়ৰ অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ নিয়ন্ত্ৰণ কক্ষ পৰিদৰ্শন কৰি বিদ্যুৎ সেৱাৰ সামগ্ৰিক ব্যৱস্থাৰ বুজ লয়। তেওঁ লগতে অঞ্চলটোৰ জনসাধাৰণৰ সুবিধাৰ্থে ৰূপায়ণ হৈ থকা ব্যৱস্থাসমূহৰো পৰ্যালোচনা কৰে। বিধায়কগৰাকীয়ে সকলো লোকে যাতে নিৰ্ভৰযোগ্য বিদ্যুৎ সেৱা লাভ কৰে সেয়া সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। চৰকাৰে বিদ্যুৎ খণ্ডক অত্যাধুনিক, কাৰ্যক্ষম আৰু জনমুখী কৰাৰ বাবে অবিৰতভাৱে কাম কৰি আছে বুলি শ্ৰীবৰাই সাংবাদিকৰ আগত মত প্ৰকাশ কৰে।

০০০০০০

নগাঁও জিলাত পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি এতিয়াৰে পৰা ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অথবা ধাবাৰ সন্মুখত ট্ৰাক আদি ৰখাই থোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কোনো বিশেষ কাৰণত গাড়ী ৰখাবলগীয়া হ'লে নিয়ম অনুসৰি লাইট জ্বলাই ৰাখিব লাগিব। তদুপৰি নগাঁও চহৰৰ ভিতৰত থকা পথসমূহতো দুখন গাড়ী সমানে ৰখোৱাত বাধা আৰোপ কৰা হৈছে। কালি তেনে অনিয়ম

কৰা ১২ খন গাড়ীৰ বিৰুদ্ধে জৰিমনা বিহা হৈছে বুলি জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে নগাঁও জিলাত বিগত এমাহত ৩৫টা পথ দুৰ্ঘটনা সংঘটিত হয় আৰু এই দুৰ্ঘটনাত ২২ জন লোকে প্ৰাণ হেৰুৱাই। জিলাখনত ঘৰ ভাৰা দিয়া মালিকসকলৰ লগতে পেইং গেষ্টৰ মালিকসকলৰ বাবেও কেতবোৰ নিয়ম বলৱৎ কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

ডিব্ৰুগড়ৰ লাহোৱালৰ জগন্নাথ মন্দিৰৰ সমীপত কালি সন্ধিয়া হঠাৎ অহা এজাক ধুমুহাত পথৰ কাষৰ এজোপা গছ উভালি পৰি এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজন সঞ্জয় তাঁতী বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ ৰে'লৰে মাটিত অস্থায়ী ঘৰ বান্ধি বাস কৰা সঞ্জয় তাঁতীৰ ঘৰৰ ওপৰতে গছডাল উভালি পৰাত এই দুৰ্ঘটনা সংঘটিত হয়। ৰাইজৰ সহযোগত আৰক্ষীয়ে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত যুৱকজনক অসম চিকিৎসা মহাবিদ্যালয়লৈ নিছিল যদিও চিকিৎসকে যুৱকজনৰ মৃত্যু হোৱা বুলি প্ৰকাশ কৰে। যুৱকজনৰ অকাল বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০০

বিশিষ্ট গায়িকা সুমন কল্যাণপুৰৰ কালি মুম্বাইৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। প্ৰবীণ গায়িকাগৰাকীয়ে ১৯৫০ৰ পৰা ১৯৭০ চনলৈ বোলছবি গীতৰ সোণালী যুগত হিন্দী, মাৰাঠীকে ধৰি বিভিন্ন ভাৰতীয় ভাষাৰ গীতত কণ্ঠদান কৰিছিল। ১৯৩৭ চনৰ ২৮ জানুৱাৰীত বাংলাদেশৰ ঢাকাত জন্মগ্ৰহণ কৰা সুমন কল্যাণপুৰে ১৯৫০ চনৰ মাজভাগত প্ৰথমখন হিন্দী ছবিত গীত গাইছিল। 'আজকল তেড়ে মেড়ে প্যাৰ কে চৰ্চে', 'না না কৰকে প্যাৰ' আৰু 'তুমনে পুকাড়া ঔৰ হম চলে আয়ে' আদিকে ধৰি বহু জনপ্ৰিয় গীতত কণ্ঠদান কৰা সুমন কল্যাণপুৰে কিংবদন্তী গায়ক মহম্মদ ৰফিৰ সৈতে প্ৰায় এশটা গানত কণ্ঠদান কৰিছিল। গায়িকাগৰাকীৰ মৃত্যুত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে, সুনেত্ৰা পাৱাৰ আৰু কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে শোক প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**